**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১।	এন ডি এ চৰকাৰে বিহাৰত বিগত ১১ বছৰত উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ বাবে ১৪ লাখ ৮৫ হাজাৰ কোটি টকাতকৈও অধিক ধনৰ সাহায্য আগবঢ়াইছে।

২।	বিশ্বৰ মঞ্চত ভাৰতৰ গুৰুত্ব বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে।

৩।	অবৈধ আৰু জাল বাণিজ্য প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জন ৰাম মেঘৱালে প্ৰকাশ কৰে।

৪।	ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত **চলো জিতে হে** চলচ্চিত্ৰখন আজি সমগ্ৰ দেশৰ প্ৰায় এক লাখ বিদ্যালয় আৰু প্ৰায় ৫০০ টা চলচ্চিত্ৰ গৃহত প্ৰদৰ্শন কৰা হয়।

***আৰু***

৫।	এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব।

oooooooo

এন ডি এ চৰকাৰে বিহাৰত বিগত ১১ বছৰত উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ বাবে ১৪ লাখ ৮৫ হাজাৰ কোটি টকাতকৈও অধিক ধনৰ সাহায্য আগবঢ়াইছে। জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিহাৰৰ বেগুচৰাইত অনুষ্ঠিত বিজেপিৰ  নেতা আৰু কৰ্মীসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি এই কথা সদৰি কৰে। তেওঁ কয়, যে ইউ পি এ চৰকাৰৰ শাসন কালত ২০০৪ৰ পৰা ২০১৪ চনৰ সময়ছোৱাত বিহাৰে মাত্ৰ দুই লাখ ৮০ হাজাৰ কোটি টকাহে লাভ কৰিছিল। শ্ৰী শ্বাহে কয়, যে ৰাষ্ট্ৰীয় জনতাদল আৰু কংগ্ৰেছে ভোটাৰ তালিকা পুনৰীক্ষণৰ নামত জনসাধাৰণক বিপথে পৰিচালিত কৰি আছে। কোনো ভাৰতীয় নাগৰিকৰে নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা নহয় বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। শ্ৰী শ্বাহে কয়, যে ভোটাৰ তালিকা পুনৰীক্ষণৰ উদ্দেশ্য হৈছে, অনুপ্ৰৱেশকাৰীৰ পৰা ভোটাৰ তালিকা মুক্ত কৰা।

জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কয়, যে যি কোনো পৰিস্থিতিতে কোনো অনুপ্ৰৱেশকাৰীক ভোট দিবলৈ অনুমতি দিয়া নহ'ব। এটা বিজেপিৰ জনসাধাৰণৰ প্ৰতি এক প্ৰতিশ্ৰুতি। তেওঁ লগতে কয়, যে আৰজিডি আৰু কংগ্ৰেছৰ ভোটবেংক ৰাজনীতিৰ বাবে ভোটাৰ তালিকাৰ পৰা অনুপ্ৰৱেশকাৰীৰ নাম কৰ্তনৰ ক্ষেত্ৰত বিৰোধ প্ৰদৰ্শন কৰি আহিছে। বেগুচৰাইৰ উপৰি ৰাজ্যখনৰ ১০ খন জিলাত অনুষ্ঠিত দলীয় কৰ্মীসভাত গৃহমন্ত্ৰী অমিত শ্বাহে আজি

অংশগ্ৰহণ কৰে। এই সভাত বিজেপিৰ কেইবাগৰাকীও সাংসদ, বিধায়ক, তৃণমূল প্ৰৰ্যায়ৰ  দলীয় কৰ্মীসকল উপস্থিত থাকে।

0000000

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে এন ডি এ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনত বিহাৰত এখন উন্নত বিহাৰ নিৰ্মাণৰ বাবে কাম কৰি আহিছে। বিহাৰৰ ৰ'হতাজ জিলাৰ শ্বাহাবাদ আৰু মগধ অঞ্চলত বিজেপিয়ে আঞ্চলিক নেতা-কৰ্মীসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে বিজেপিৰ নেতা-কৰ্মীসকলক জনসাধাৰণৰ ঘৰে ঘৰে গৈ নীতিশ কুমাৰ নেতৃত্বাধীন চৰকাৰে অংগনবাড়ী কৰ্মী, অংগনবাড়ী সহায়ক, মমতাদিদি, জীৱিকা দিদি, যুৱ প্ৰজন্ম আৰু মহিলাসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰাবলৈ আহ্বান জনায়। সমাগত বিহাৰ বিধানসভা নিৰ্বাচনত সুফল লাভ কৰিবলৈ তেওঁ দলটোক শক্তিশালী কৰাৰ ক্ষেত্ৰত কৰ্মীসকলৰ মাজত একতা বাঞ্চনীয় বুলি প্ৰকাশ কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ভোটাৰ অধিকাৰ যাত্ৰা প্ৰকৃততে অনুপ্ৰৱেশকাৰীসকলক ৰক্ষণা বেক্ষণ দিয়াৰ বাবে প্ৰচাৰ কাৰ্য বুলিহে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে। উল্লেখযোগ্য যে বিজেপিৰ এই আঞ্চলিক সন্মিলনত হাজাৰোধীক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

0000000

বিশ্বৰ মঞ্চত ভাৰতৰ গুৰুত্ব বৃদ্ধি পাইছে বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে। নতুন দিল্লীত অনুষ্ঠিত মন্থন ২০২৫ শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলনৰ উদ্বোধনী সত্ৰত ভাষণ দি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰী সিঙে কয়, যে যদিহে ৰাষ্ট্ৰৰ স্বাৰ্থত কাম কৰা যায়, তেন্তে ২০৪৭ চনৰ ভিতৰত দেশে আশানুৰূপ লক্ষ্যত উপনীত হ'ব। শ্ৰী সিঙে ২০৩৫ চনৰ ভিতৰত লক্ষ্যত উপনীত হ'বলৈ আৰু ভাৰতক উন্নত স্থানলৈ ৰূপান্তৰিত কৰাৰ দৃষ্টিভংগীৰে কাম কৰিবলৈ ভাৰতীয় প্ৰতিৰক্ষা বিষয়াসকলক আহ্বান জনায়। তেওঁ আই ডি ই এছৰ বিষযাসকলে দ্বৈত দায়বদ্ধতা সফলতাৰে পুৰণ কৰাৰ বাবে প্ৰশংসা কৰি কয়, যে সশস্ত্ৰ সেৱাৰ সহযোগত ৬১ টা কেণ্টনমেণ্টত বাস কৰা সাধাৰণ নাগৰিকসকলৰ কল্যাণৰ বাবে ১৮ লাখ একৰতকৈও অধিক প্ৰতিৰক্ষা ব্যৱস্থাপনা গ্ৰহণ কৰিছে।

এই অনুষ্ঠানত বায়ু সেনাৰ মুৰববী মাৰ্ছেল অমৰ প্ৰীত সিং আৰু প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰো উপস্থিত আছিল।

0000000

অবৈধ আৰু জাল বাণিজ্য প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত ভাৰত প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জন ৰাম মেঘৱালে প্ৰকাশ কৰে। চোৰাং আৰু জাল বাণিজ্যৰ বিৰুদ্ধে আন্দোলনৰ একাদশ সংস্কৰণত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী মেঘৱালে কয়, যে শেহতীয়া জি এছ টি সংস্কাৰ ব্যৱস্থাই অংশীদাৰসকলক উল্লেখযোগ্য সকাহ দিব। **গ্ৰয়িং ইলিচিট ট্ৰেড ঃ ডেষ্টাব্লিজিং ইকনমিক ৱেলফেয়াৰ** শীৰ্ষক বিষয়বস্তুৰে ফিক্কিয়ে এই অনুষ্ঠানটো আয়োজন কৰিছিল। এই অনুষ্ঠানত ভাগ লৈ আইন আৰু ন্যায় মন্ত্ৰালয়ৰ প্ৰাক্তন সচিব পি কে মালহোত্ৰাই কয়, যে অবৈধ বাণিজ্যই প্ৰগতিত বাধা দিয়ে আৰু খৰচ বৃদ্ধি কৰে। তেওঁ কয়, যে ২০৪৭ চনত ভাৰত ৩০ ত্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ দেশ হ'ব বুলি যি প্ৰত্যাশা কৰা হৈছে, সেই যাত্ৰাত অবৈধ ব্যৱসায়ে অৰ্থনৈতিক বিকাশৰ গতিত বাধা জন্মাব পাৰে বুলি তেওঁ আশংকা প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত **চলো জিতে হে** চলচ্চিত্ৰখন আজি সমগ্ৰ দেশৰ প্ৰায় এক লাখ বিদ্যালয় আৰু প্ৰায় ৫০০ টা চলচ্চিত্ৰ গৃহত প্ৰদৰ্শন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে চলচ্চিত্ৰ প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ ল'ৰালিৰ এটা ঘটনাৰ অনুপ্ৰেৰণাৰে চলচ্চিত্ৰখন নিৰ্মাণ কৰা হৈছিল। চলচ্চিত্ৰখনত নাৰু নামৰ এজন ডেকাৰ কাহিনী কোৱা হৈছে যিয়ে স্বামী বিবেকানন্দৰ দৰ্শনৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈ নিজৰ সৰু পৃথিৱীখন বেলেগ ধৰেণ সজাবলৈ বিচাৰিছিল।

চলচ্চিত্ৰখনৰ পৰিচালক মংগেশ হাৰাৱালে আৰু প্ৰযোজক আনন্দ এল ৰায় আৰু মহাবীৰ জৈন। এই চলচ্চিত্ৰখনে ৬৬ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অকাহিনী শিতানত পুৰস্কাৰ লাভ কৰিছিল। নতুন দিল্লীত অনুষ্ঠিত চলচ্চিত্ৰখনৰ প্ৰদৰ্শনী অনুষ্ঠানত ভাগ লৈ আমাৰ আকাশবাণীৰ সংবাদদাতাই কয়, যে এই চলচ্চিত্ৰখনে তেওঁক প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ দৰে দেশৰ কল্যাণ আৰু দুখীয়া জনসাধাৰণৰ বাবে কাম কৰি যাবলৈ প্ৰেৰণা দিব।

০০০০০০০

বিত্ত মন্ত্ৰালয়ে আজি কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বাবে ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি এন পি এছৰ সৈতে সংযুক্ত পেঞ্চন আঁচনি ইউ পি এছলৈ সলনি হোৱাৰ ৩০ ছেপ্তেম্বৰ অন্তিম দিন হিচাপে ঘোষণা কৰিছে। এটা বিবৃতিত মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, ইউ পি এছৰ অধীনত সকলো যোগ্য কৰ্মচাৰীয়ে এন পি এছলৈ মাত্ৰ এবাৰেই সলনি কৰিব পাৰিব। এই প্ৰক্ৰিয়াৰ জৰিয়তে কৰ্মচাৰীসকলৰ অৱসৰকালীন পৰিকল্পনাৰ বাবে আৰ্থিক সুৰক্ষা দিয়াৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

০০০০০০০

দেশৰ সাতটা প্ৰাকৃতিক ঐতিহ্য ক্ষেত্ৰ ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ খৰচা তালিকাত সন্নিবিষ্ট হৈছে। ইয়াৰ জৰিয়তে খচৰা তালিকাত স্থান পোৱা ভাৰতৰ ঐতিহ্য ক্ষেত্ৰৰ সংখ্যা ৬২ৰ পৰা ৬৯ লৈ বৃদ্ধি পালে। কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ে ঘোষণা কৰা অনুসৰি দেশত বৰ্তমান ৪৯ টা সাংস্কৃতিক, ১৭ টা প্ৰাকৃতিক আৰু তিনিটা সংমিশ্ৰিত ঐতিহ্য ক্ষেত্ৰ আছে। নতুনকৈ অন্তৰ্ভুক্ত হোৱা এই ক্ষেত্ৰসমূহে পঞ্চগনী আৰু মহাবালেশ্বৰৰ ডেক্কান ট্ৰেবছ, মহাৰাষ্ট্ৰ, কৰ্ণাটকৰ ছেণ্টমেৰী দীপপুঞ্জৰ ভূ-বৈজ্ঞানীক ঐতিহ্য, মেঘালয়ৰ প্ৰাচীন গুহা, নগা পাহাৰৰ প্ৰাচীন শিলা, অন্ধ্ৰপ্ৰদেশৰ ৰঙা মাটিৰ পাহাৰ, তিৰুমালাৰ পাহাৰ আৰু কেৰেলাৰ বৰকালাৰ থিয় পৰ্বতো আছে।

০০০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱে আজি নতুন দিল্লীত অনুষ্ঠিত **এক পেৰ মা কে নাম** কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়কে শ্ৰী যাদৱে দেশৰ নাগৰিকসকলক ধৰিত্ৰীৰ নামত একোটাকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে সেৱা সপ্তাহ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এই অভিযান গ্ৰহণ কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এক পেৰ মা কে নাম দ্বিতীয় পৰ্যায়ৰ অভিযানে কেৱল পৰিৱেশ সংৰক্ষণৰ বাৰ্তাই বহন নকৰে, বৰং পৰিৱেশ ৰক্ষাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকো প্ৰতিফলিত কৰিছে। দিল্লীৰ পি বি জি প'লো গ্ৰাউণ্ডত আয়োজন কৰা এই অনুষ্ঠানত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তায়ো অংশগ্ৰহণ কৰে।

০০০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ'ব। খেল খন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হব।

ইপিনে, কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফকৰ জামানে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ জুনাইদ ছিদ্দিকিয়ে ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত আয়োজক দলটোৱে ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ শ্বাহিন আফ্ৰিদি, হৰিছ ৰৌফ আৰু আব্ৰাৰ আহমেদে দুটাকৈ উইকেট দখল কৰে। বৰষুণৰ বাবে এঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত জয়লাভ কৰি পাকিস্তানে ভাৰতৰ লগতে প্ৰতিযোগিতাৰ ছুপাৰ-ফৰ পৰ্যায়লৈ প্ৰৱেশ কৰিছে। ইপিনে আয়োজক দেশ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০

সমাপ্ত